# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-06-2026 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানে যুদ্ধৰ অৱসান ঘটাই হৰমুজ প্ৰণালী মুকলি কৰাৰ বাবে চুক্তি চূড়ান্ত কৰিছে। চুক্তি অনুসৰি অহা শুকুৰবাৰে হৰমুজ প্ৰণালী মুকলি কৰা হ'ব।

২। দেশৰ মধ্যবিত্ত শ্ৰেণীৰ অভিলাষ পূৰণৰ বাবে কাম কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৩। উত্তৰ-পূবৰ আন্তঃগাঁথনি আৰু যোগাযোগ সম্পৰ্কীয় গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী শ্বিলঙলৈ আহিব।

৪। ফ্ৰান্সৰ এভিয়ানত আজিৰেপৰা হ'বলগীয়া ৫২ সংখ্যক জি-ছেভেন সন্মিলনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

আৰু

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি অনুষ্ঠিত গ্ৰুপ-এফৰ এখন খেলত ছুইডেনে টিউনিছিয়াক ৫-১ গ'লত পৰাস্ত কৰে।

000000000

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানে ১০৭ দিনীয়া যুদ্ধৰ অৱসান ঘটাই হৰমুজ প্ৰণালী মুকলি কৰাৰ বাবে এখন চুক্তি চূড়ান্ত কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সামাজিক মাধ্যমৰ এটা বাৰ্তাত যোৱা নিশা এই কথা সদৰি কৰি কয়, যে এই চুক্তিৰ লগে লগে ইৰানৰ বন্দৰত আমেৰিকাৰ নৌসেনাৰ অৱৰোধৰ অন্ত পৰিব। ছুইজাৰলেণ্ডত অহা ১৯ জুনত শান্তি চুক্তিত স্বাক্ষৰ কৰা হ'ব। এই চুক্তিত আনুষ্ঠানিকভাৱে স্বাক্ষৰ কৰাৰ পাছতেই অহা শুকুৰবাৰে হৰমুজ প্ৰণালী মুকলি কৰা হ'ব বুলি ট্ৰাম্পে প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই চুক্তিয়ে সমগ্ৰ মধ্যপ্ৰাচ্যলৈ শান্তি আৰু নিৰাপত্তা ঘূৰাই আনিব। এই চুক্তিৰ অধীনত ইৰানৰ পৰমাণু সংবৰ্ধন আৰু ৬০ দিনৰ ভিতৰত অত্যাধিক সংবৰ্ধিত ইউৰেনিয়াম নিষ্কাশনৰ বিষয়ে আলোচনা কৰাৰ বাবে দুয়োখন দেশক আহ্বান জনোৱা হৈছে। ইৰানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদে জনোৱা মতে লেবাননকে ধৰি সকলো খণ্ডৰ যুদ্ধ আৰু সামৰিক অভিযান আজি নিশাৰে পৰা স্থায়ীভাৱে অন্ত পৰিব।

বিশ্ব নেতাসকলে আমেৰিকা আৰু ইৰানে তাৎক্ষণিক আৰু স্থায়ীভাৱে যুদ্ধবিৰতিৰ বাবে শান্তিচুক্তিৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰাৰ ঘোষণাক আদৰণি জনাইছে। নেতাসকলে এই চুক্তিক অতি গুৰুত্বপূৰ্ণ কূটনৈতিক অগ্ৰগতি বুলি উল্লেখ কৰি কয়, যে ইয়াৰ জৰিয়তে পশ্চিম এছিয়াত স্থিৰতা ঘূৰাই অনাত সহায়ক হ'ব। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্টনিঅ' গুটেৰেছেও শান্তি চুক্তিৰ ঘোষণাক আদৰণি জনাইছে।

উল্লেখযোগ্য যে আমেৰিকা, ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘৰ্ষত তেহৰানৰ কেইবাগৰাকী শীৰ্ষ নেতাই প্ৰাণ হেৰুৱায়। ইয়াৰ ভিতৰত ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেই, সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ সচিব আলী লাৰিজানি, ইছলামিক ৰিভিলিউচানেৰী গাৰ্ড ক'ৰ্প্ছৰ কামাণ্ডাৰ মহম্মদ পাকপ'ৰ, প্ৰতিৰক্ষা মন্ত্ৰী আজিজ নাছিৰযাদে অন্যতম।

000000000

দেশৰ মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে ৰাষ্ট্ৰ গঢ়াৰ ক্ষেত্ৰত বিশেষভাৱে বৰঙণি যোগাইছে আৰু এন ডি এ চৰকাৰে এই লোকসকলৰ অভিলাষ পূৰণৰ বাবে কাম কৰিবলৈ বদ্ধপৰিকৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে বিগত দশকটোত প্ৰশাসনৰ কাম-কাজ সাধাৰণ লোকৰ জীৱনৰ মান উন্নত কৰাৰ দিশত কেন্দ্ৰীভূত হৈছে। তেওঁ কয়, যে কয় যে চৰকাৰে জনসাধাৰণক সহজে সুযোগ-সুবিধা প্ৰদান কৰাৰ লগতে উন্নত আন্তঃগাঁথনি, সুলভ জনসেৱা, ব্যয়সাধ্য চিকিৎসা সেৱা, গুণগত মানসম্পন্ন শিক্ষা, পৰিচ্ছন্ন মহানগৰ গঢ়ি তুলি জনসাধাৰণৰ দৈনন্দিন জীৱনৰ বোজা হ্ৰাস কৰিছে।

ooooooooo

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি উত্তৰ-পূব খণ্ডৰ আন্তঃগাঁথনি উন্নয়ন আৰু যোগাযোগ সম্পৰ্কীয় কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে শ্বিলঙলৈ আহিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শ্বিলঙৰ ম'কাচিয়াঙৰ লাৰিটি পাৰ্ফমেঞ্চ কেন্দ্ৰত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী - NEIINFRA উদ্বোধন কৰিব। তেওঁ লগতে এই সন্মিলনত মুখ্য কাৰ্যবাহী বিষয়াসকলৰ ঘূৰণীয়া মেজমেলত অংশ ল'ব। NEIINFRA-ই নীতি নিৰ্মাতা, উদ্যোগিক নেতা, বিনিয়োগকাৰী আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অংশীদাৰীসকলক একেলগ কৰি আন্তঃগাঁথনিৰ উন্নয়ন, বিনিয়োগৰ সুযোগ আৰু আঞ্চলিক বিকাশৰ আলোচনাৰ বাবে এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে সেৱা আগবঢ়াই আহিছে। দুদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই অংশগ্ৰহণ কৰিব। এই সন্মিলন উত্তৰ-পূব ভাৰতৰ আন্তঃগাঁথনিক লৈ সমবেত হোৱা সৰ্ববৃহৎ সন্মিলন হ'ব বুলি আশা কৰা হৈছে। শ্ৰী গাডকাৰীয়ে আজি মেঘালয়ত তিনিহাজাৰ ২১৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ছটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ উদ্দেশ্যে আয়োজন কৰা এটা অনুষ্ঠানত ভাগ ল'ব। এই প্ৰকল্পই পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে প্ৰান্তীয় অঞ্চললৈ যোগাযোগৰ সুবিধা তথা মেঘালয়কে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক বিকাশত অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

oooooooo

অযোধ্যাৰ শ্ৰীৰাম জনমভূমি মন্দিৰত অনুদান আৰু প্ৰসাদৰ ক্ষেত্ৰত হোৱা অপপ্ৰয়োগ সন্দৰ্ভত ৰুজু হোৱা এজাহাৰ আৰু ন্যায়ালয়ৰ নিৰীক্ষণত তদন্ত ব্যৱস্থাৰ নিৰ্দেশনা বিচাৰি উচ্চতম ন্যায়ালয়ত প্ৰতিনিধিত্ব দাখিল কৰা হৈছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তক উদ্দেশ্যি অধিবক্তা অনুপ প্ৰকাশ অৱস্তিয়ে এই প্ৰতিনিধিত্ব দাখিল কৰে। ইয়াৰ জৰিয়তে উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তত্বাৱধানত ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা চি বি আইৰ দৰে অগ্ৰণী সংস্থাৰ দ্বাৰা স্বতন্ত্ৰ তদন্তৰ নিৰ্দেশ দিবলৈ আদালতত আহ্বান জনায়।

শ্ৰীৰাম জনমভূমি মন্দিৰকলৈ শেহতীয়াভাৱে উদ্ভৱ হোৱা ধনৰ অনিয়ম, অপব্যৱহাৰ বা হৰলুকি হোৱাৰ বাতৰিয়ে দেশ-বিদেশৰ ভক্তসকলৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে আৰু এই বিষয়টো লাখ লাখ ভক্তৰ আস্থা আৰু বিশ্বাসৰ সৈতে জড়িত বুলি প্ৰতিনিধিত্বত উল্লেখ কৰা হৈছে। এই ঘটনাৰ তদন্তৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰে ইতিমধ্যে বিশেষ তদন্তকাৰী দল গঠন কৰি দিছে। কিন্তু বিভিন্ন পক্ষই এই সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছে। প্ৰতিনিধিত্বই দাবী উত্থাপন কৰিছে যে, এই ক্ষেত্ৰত এছ আই টি নিজেই পৰ্যাপ্ত নহয়। সাংবিধানিক আদালতৰ তত্বাৱধানত ইয়াৰ তদন্ত নহ'লে ভক্তিপ্ৰাণ ৰাইজৰ এটা বৃহৎ অংশৰ তদন্তৰ স্বাধীনতাকলৈ সন্দেহৰ অৱকাশ থাকিব। সেয়েহে ন্যায়িক হস্তক্ষেপ বিচাৰি প্ৰতিনিধিত্বই উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ নিৰীক্ষণত চিবিআইৰ তদন্তৰ নিৰ্দেশ দিবলৈ আহ্বান জনায়। ইয়াৰ লগতে দান কৰা ধন সংৰক্ষণ আৰু সুৰক্ষাৰ ব্যৱস্থা বিশেষকৈ মন্দিৰ কৰ্তৃপক্ষই লাভ কৰা ধন, অনুদান, সংগ্ৰহ আদিৰ হিচাপনিকাচ, তত্বাৱধান, পৰিচালনা আৰু বিতৰণৰ সৈতে জড়িত সকলো দিশ পৰীক্ষা কৰিবলৈ আহ্বান জনাইছে।

ooooooooo

বিগত ১২ বছৰত কেন্দ্ৰীয় চৰকাৰে অৰ্থনৈতিক সুৰক্ষা আৰু উন্নত সা-সুবিধা প্ৰদানৰ জৰিয়তে ভাৰতৰ মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে সভাপতিগৰাকীয়ে কয়, যে আয়কৰ সংস্কাৰৰ মাধ্যমেৰে কৰ ব্যৱস্থাত স্বচ্ছতা অনাৰ ফলত জনসাধাৰণক কৰৰ ক্ষেত্ৰত সকাহ দিয়াকে ধৰি বিভিন্ন আঁচনিৰ জৰিয়তে উন্নয়নৰ পথ প্ৰশস্ত কৰা হৈছে। উজ্জ্বলা যোজনা, জলজীৱন মিছন আৰু স্বচ্ছ ভাৰত অভিযানে বুনিয়াদী জীৱন ধাৰণৰ সা-সুবিধাসমূহ নাগৰিকৰ বাবে সহজলভ্য কৰি তুলিছে বুলি তেওঁ কয়। তদুপৰি প্ৰধানমন্ত্ৰী আবাস যোজনাই নাগৰিকৰ নিজাকৈ এটা গৃহ নিৰ্মাণৰ সপোন বাস্তৱায়িত কৰাৰ লগতে আয়ুস্মান ভাৰত যোজনাই স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত পৰিৱৰ্তন সাধন কৰিছে বুলি তেওঁ উল্লেখ কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কয়, যে এনেধৰণৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ সৱলীকৰণ নিশ্চিত কৰি ভাৰতীয় অৰ্থনীতিলৈ বৃহৎ অৰিহণা যোগাইছে আৰু বিকশিত তথা আত্মনিৰ্ভৰ ভাৰতৰ যাত্ৰা শক্তিশালী কৰি তুলিছে।

oooooooo

ফ্ৰান্সৰ এভিয়ানত আজিৰেপৰা হ'বলগীয়া ৫২ সংখ্যক জি-ছেভেন সন্মিলনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। আমেৰিকা আৰু ইৰানে ১০৭ দিনীয়া যুদ্ধৰ অন্ত পেলোৱাৰ বাবে চুক্তি সম্পন্ন কৰাৰ লগতে হৰমুজ প্ৰণালী পুনৰ মুকলি কৰাৰ সিদ্ধান্ত লোৱাৰ সময়ত এই সন্মিলন গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। G7-ৰ সদস্য ৰাষ্ট্ৰসমূহে এই সিদ্ধান্তক আদৰণি জনাইছে। এটা উমৈহতীয়া বিবৃতিত ফ্ৰান্স, ব্ৰিটেইন, জাৰ্মানী আৰু ইটালীৰ নেতাসকলে কয়, যে চৰ্তহীন আৰু কঠোৰ নীতি-নিৰ্দেশনা অবিহনে হৰমুজ প্ৰণালী শীঘ্ৰে মুকলি কৰাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে।

উল্লেখযোগ্য যে তিনিদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনত জি-ছেভেন সদস্য ৰাষ্ট্ৰ কানাডা, ফ্ৰান্স, জাৰ্মানী, ইটালী, জাপান, ব্ৰিটেইন আৰু ইউৰোপীয় সংঘই অংশগ্ৰহণ কৰিব। এই সদস্য ৰাষ্ট্ৰসমূহৰ উপৰি ফ্ৰান্সে ভাৰত, ব্ৰাজিল, ইজিপ্ত, কেনিয়া, দক্ষিণ কোৰিয়া, কাটাৰ, ছৌদি আৰৱ, ছিৰিয়া, ইউক্ৰেইন আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰক আউটৰিচ অংশীদাৰ দেশ হিচাপে আমন্ত্ৰণ জনাইছে। ভাৰতে জি-ছেভেন সন্মিলনত অংশীদাৰী দেশ হিচাপে এইবাৰ ত্ৰয়োদশ বাৰৰ বাবে অংশগ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ এই অনুষ্ঠানত অংশ ল'ব। জি-ছেভেন সন্মিলনত প্ৰধানমন্ত্ৰী মোদীৰ অংশগ্ৰহণে গোলকীয় ভূ-ৰাজনীতিত ভাৰতৰ গুৰুত্বপূৰ্ণ ভূমিকাকে সূচাইছে। অৰ্থনৈতিক শক্তি, উন্নয়নশীল বিশ্বৰ মাজত কূটনৈতিক সেতু আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডত কৌশলগত অংশীদাৰ হিচাপে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ বাবে ভাৰত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

oooooooo

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি অনুষ্ঠিত গ্ৰুপ-এফৰ এখন খেলত ছুইডেনে টিউনিছিয়াক ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে আজি ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৪ বজাত অনুষ্ঠিত গ্ৰুপ-ইৰ এখন খেলত আইভৰী ক'ষ্টে ইকুৱেডৰক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

ইপিনে গ্ৰুপ-ইৰ এখন খেলত জাৰ্মানীয়ে যোৱা নিশা প্ৰথমবাৰৰ বাবে বিশ্বকাপত অৱতীৰ্ণ হোৱা কুৰাচাওক ৭-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ডালাছত অনুষ্ঠিত নেডাৰলেণ্ডছ আৰু জাপানৰ মাজৰ খেলখন ২-২ গ'লত ড্ৰ' হয়।

ooooooooo

সমাপ্ত